# 2 0 1 8

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) প্ৰথম অসমীয়া চুটিগল্প সংকলনখনৰ নাম কি?

(খ) নগেন্দ্ৰ নাৰায়ণ চৌধুৰী কোন যুগৰ গল্পকাৰ?

(গ) গংগাৰামৰ একমাত্ৰ পুতেকৰ নাম কি আছিল?

(ঘ) 'মৰমৰ মাধুৰী' কোনজন গল্পকাৰৰ গল্প সংকলন?

(ঙ) 'অৱগাহন' গল্পটো অণিমা দত্তৰ কোনখন গল্প-পুথিত সন্নিৱিষ্ট হৈছে?

(চ) লক্ষ্মীনাথ ফুকনে কোনখন আলোচনীৰ মাজেৰে গল্পকাৰ জীৱনৰ পাতনি মেলিছিল?

(ছ) ৰজনীকান্ত বৰদলৈৰ একমাত্ৰ সামাজিক উপন্যাসখনৰ নাম কি?

(জ) কোনজন ইংৰাজ কবিৰ কবিতাৰ ছাঁ 'নিৰ্মল ভকত'ৰ কাহিনীভাগত পৰিছে?

(ঝ) 'নিৰ্মল ভকত' উপন্যাসখন কিমান চনত প্ৰকাশিত হৈছিল?

(ঞ) নিৰ্মল ভকতৰ লগত কোনখন সত্ৰৰ নাম জড়িত হৈ আছে?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) "বাৰু, বোপাইহঁত কুশলে থাক।" কোনে, কাক কৈছিল?

(খ) হেমন্ত কোন? তেওঁ আফ্ৰিকালৈ কিয় গৈছিল?

(গ) 'ডাক্তৰ' গল্পত থকা দুজন ডাক্তৰৰ নাম সম্পূৰ্ণকৈ লিখা।

(ঘ) কাৰ সৈতে হোৱা যুদ্ধত নিৰ্মল পৰাজিত হৈছিল? তেওঁ যুদ্ধ বন্দীৰূপে ক'লৈ যাবলগীয়া হৈছিল?

(ঙ) "তুমি বলিয়া নহ'বা, অলংকাৰ তিৰোতাৰ আপদ-বিপদৰ সম্বল।" কথাষাৰ কোনে, কাক কৈছিল?

৩। চমু উত্তৰ দিয়া (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) চুটিগল্প বুলিলে কি বুজা? চুটিগল্প আৰু সাধুকথাৰ মাজত কি কি দিশত পাৰ্থক্য আছে, লিখা।





(খ) গংগাৰামৰ মৃত্যুৰ পাছত ৰামেশ্বৰ কি কি পাঁচ দফা বস্তুৰ মালিক হৈছিল?

(গ) 'ভাগ-বাটোৱাৰা' গল্পৰ আদ্যনাথ দদাইৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঘ) 'অৱগাহন' গল্পৰ কেন্দ্ৰীয় চৰিত্ৰটোৰ বিষয়ে লিখা।

(ঙ) 'ডাক্তৰ' গল্পৰ মাজেৰে ডাক্তৰ চলিহাৰ কেনে ব্যক্তিত্ব ফুটি ওলাইছে, বিচাৰ কৰা।

(চ) "ৰজনীকান্ত বৰদলৈৰ 'নিৰ্মল ভকত' এখন ঐতিহাসিক উপন্যাস।" কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা।

৪। (ক) 'ধোঁৱাখোৱা' গল্পটোৰ মাজেৰে লক্ষ্মীনাথ বেজবৰুৱাৰ সমাজ চেতনা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

'ভাগ-বাটোৱাৰা' গল্পটোৰ বিষয়বস্তুৰ আভাস দি গল্পটোৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) 'অৱগাহন' গল্পত ৰ'জা মাৰ্গাৰেট ফিল্ড চৰিত্ৰৰ মহানতা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

"লক্ষ্মীনাথ ফুকনৰ 'ডাক্তৰ' গল্পটোত কাহিনীতকৈ চৰিত্ৰৰ প্ৰকাশ বা বৰ্ণনা অধিক।" কথাষাৰৰ আধাৰত 'ডাক্তৰ' গল্পৰ চৰিত্ৰ বিশ্লেষণ কৰা।

(গ) ''ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহ নাৰী চৰিত্ৰ প্ৰধান।'' এই উক্তিৰ আধাৰত বৰদলৈৰ উপন্যাসৰ নাৰী চৰিত্ৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

'নিৰ্মল ভকত' উপন্যাসখনৰ মাজেৰে বুৰঞ্জীমূলক বা ঐতিহাসিক উপন্যাসৰ বৈশিষ্ট্য কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

৫। তলত উল্লেখ কৰা যি কোনো এটা বিষয়লৈ এখনি ৰচনা লিখা : ১৫

(ক) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ নিয়ন্ত্ৰণৰ উপায়

(খ) সমাজ গঠনত ছাত্ৰৰ ভূমিকা

(গ) মাদকদ্ৰব্য আৰু সমাজত ইয়াৰ কু-প্ৰভাৱ

(ঘ) মানৱ সভ্যতালৈ বিজ্ঞানৰ অৱদান।

★★★